**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 24-06-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**
**::::::::::::::::::**

১। ইৰান আৰু ইজৰাইলে যুদ্ধ বিৰতিৰ চুক্তিত সন্মতি প্ৰকাশ কৰা বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ঘোষণা কৰিছে।

২। ইৰানে কাটাৰত আমেৰিকা আৰু ইয়াৰ সহযোগী বাহিনীৰ দ্বাৰা পৰিচালিত অল উদেইদ বায়ুসেনা ঘাটিত সোমবাৰে ক্ষেপণাস্ত্ৰৰে আক্ৰমণ চলায়।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীৰ তিনমূৰ্তি ভৱনত প্ৰধানমন্ত্ৰী সংগ্ৰাহলয় আৰু পুথিভঁৰাল সমাজৰ সাধাৰণ সভাত অধ্যক্ষতা কৰে। *আৰু*

৪। হেডিংলীৰ লীডছত চলি থকা এণ্ডাৰ্চন-তেণ্ডুলকাৰ ক্ৰিকেট ট্ৰফীৰ প্ৰথমখন খেলত ভাৰতে ইংলেণ্ডক জয়ৰ বাবে ৩৭১ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

ooooo

ইৰাণ আৰু ইজৰাইলে যদ্ধবিৰতিত সন্মতি প্ৰকাশ কৰিছে। কালি নিশা কাটাৰত থকা আমেৰিকাৰ বিমানঘাটিত ইৰাণৰ ক্ষেপণাস্ত্ৰ আক্ৰমণৰ পাছত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে এই কথা ঘোষণা কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়.যে যদ্ধ চলি থকা দ্বয়োখন দেশে চূডান্ত অভিযান সম্পৰ্ণ কৰাৰ পাছত যদ্ধবিৰতি আৰম্ভ হ'ব। এই যদ্ধবিৰতি পৰ্যায়ক্ৰমে কাৰ্যকৰী কৰা হ'ব বলি ট্ৰাম্পে লগতে উল্লেখ কৰে। তেওঁ লগতে কয়.যে ইৰাণ আৰু ইজৰাইলে এই যদ্ধবিৰতিত সন্মত হোৱাৰ ২৪ ঘন্টাৰ পাছত দ্বয়োখন দেশৰ মাজত যোৱা ১২ দিন ধৰি চলা যদ্ধৰ আনষ্ঠানিক অন্ত পৰিব। বাৰ্তাটোত প্ৰতিটো পক্ষৰ যদ্ধবিৰতিৰ সময়ছোৱাত বিৰোধী পক্ষই শান্তিপূৰ্ণ আৰু সন্মানীয় হৈ থকাৰ আশা প্ৰকাশ কৰা হৈছে।

ooooo

ইৰানে কাটাৰত আমেৰিকা আৰু ইয়াৰ সহযোগী বাহিনীৰ দ্বাৰা পৰিচালিত অল উদেইদ বায়ুসেনা ঘাটিত সোমবাৰে ক্ষেপণাস্ত্ৰৰে আক্ৰমণ চলায়। ইৰানৰ পৰমাণু প্ৰকল্পত আমেৰিকাই শেহতীয়াকৈ বোমাৰে আক্ৰমণ কৰাৰ প্ৰত্যুত্তৰ হিচাপে ইৰানে এই প্ৰত্যাক্ৰমণ কৰে বুলি তেহৰানৰ এটা সূত্ৰই প্ৰকাশ কৰিছে। পশ্চিম এছিয়াৰ ড'হাত থকা আমেৰিকাৰ সৰ্ববৃহৎ সেনা ঘাটি অল উদেইদ আছিল এই আক্ৰমণৰ প্ৰাথমিক লক্ষ্য। একেদৰে ইৰানে ইৰাকত থকা আমেৰিকাৰ য়েন-অল-আছাদ ঘাটিতো আক্ৰমণ কৰা বুলি তথ্য পোৱা গৈছে।

কাটাৰ আৰু আমেৰিকাৰ সেনা বিষয়াসকলে জনোৱা মতে এই আক্ৰমণত কোনো লোক হতাহত হোৱা নাই। কাটাৰে জনোৱা মতে আক্ৰমণৰ পূৰ্বেই প্ৰতিৰোধী ব্যৱস্থা হিচাপে গোটেই অঞ্চলটো খালী কৰা হৈছিল আৰু ইয়াৰ বায়ু প্ৰতিৰক্ষা ব্যৱস্থাই ক্ষেপণাস্ত্ৰসমূহ সফলতাৰে নষ্ট কৰিবলৈ সমৰ্থ হৈছিল।

আমেৰিকাৰ প্ৰতিৰক্ষা বিষয়াই নিশ্চিত কৰিছে যে অল উদেইদ বায়ু ঘাটিত ইৰানে কম আৰু মধ্য দূৰত্বৰ ক্ষেপণাস্ত্ৰৰে আক্ৰমণ চলাইছিল। এই আক্ৰমণৰ সময়ছোৱাত আমেৰিকাৰ কোনোধৰণৰ হতাহতৰ তথ্য লাভ কৰা হোৱা নাই। কাটাৰে ইয়াৰ আকাশমাৰ্গ বন্ধ কৰা আৰু আমেৰিকাৰ দূতাবাসৰ দ্বাৰা ইয়াৰ নাগৰিকসকলক সুৰক্ষিত স্থানত থাকিবলৈ নিৰ্দেশ দিয়াৰ কেইবাঘণ্টা পাছত এই আক্ৰমণৰ ঘটনা সংঘটিত হয়। পৰ্যবেক্ষকসকলে কাটাৰৰ আকাশত ইণ্টাৰচেপ্টৰ আৰু ক্ষেপণাস্ত্ৰৰ মাজত হোৱা সংঘৰ্ষৰ সাক্ষী হৈছিল।

মধ্যপ্ৰাচ্যত বৰ্ধিত উত্তেজনাৰ পৰিপ্ৰেক্ষিতত প্ৰতিৰোধী ব্যৱস্থা হিচাপে কাটাৰত থকা ভাৰতীয় দূতাবাসে ভাৰতীয় মূলৰ লোকসকলক ধৈৰ্য সহকাৰে ঘৰৰ ভিতৰত থকাৰ লগতে কাটাৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা নিৰ্দেশনা মানি চলিবলৈ আহ্বান জনাইছে। ইপিনে কাটাৰৰ বায়ুঘাটিত ইৰানৰ ক্ষেপণাস্ত্ৰ আক্ৰমণৰ পাছতেই বাহৰেইন, কুৱেইট আৰু সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰই সাময়িকভাৱে তেওঁলোকৰ আকাশমাৰ্গ বন্ধ কৰি ৰাখিছে।

০০০০০

কাটাৰত থকা আমেৰিকাৰ বায়ুঘাটি অল উদেইদত ইৰানে চলোৱা আক্ৰমণৰ পাছতেই বিশ্ব বজাৰত তেলৰ মূল্য বিগত ৫ বছৰত ৬ শতাংশলৈ হ্ৰাস পাইছে। ইৰানৰ পৰমাণু প্ৰকল্পত আমেৰিকাৰ আক্ৰমণৰ প্ৰত্যুত্তৰ হিচাপে ইৰানে কৰা প্ৰত্যাক্ৰমণৰ পাছত তেলৰ মূল্য প্ৰতি বেৰেলত ৫ মাৰ্কিন ডলাৰলৈ হ্ৰাস হয়।

বজাৰত তেলৰ মূল্য হ্ৰাসে এই কথা প্ৰতিফলন কৰে যে ইৰানে অৰ্থনৈতিক দিশতকৈও প্ৰতিৰক্ষামূলক ব্যৱস্থাতহে আক্ৰমণ কৰাৰ লক্ষ্য কৰি লৈছে। ইৰানে তেল প্ৰতিষ্ঠান, পাইপ লাইন আদিত আক্ৰমণৰ লক্ষ্য কৰি লোৱা নাই। শক্তি ব্যৱস্থাপনাসমূহত পোনপটীয়া আক্ৰমণৰ লক্ষ্য হোৱা নাই বাবেই বজাৰত তেলৰ মূল্য বৃদ্ধি পোৱা নাই।

০০০০০

ছিৰিয়াৰ ৰাজধানী দামাস্কাচৰ এটা গীৰ্জাত পৰহি আত্মঘাটি বোমা বিস্ফোৰণত কমেও ২২ জন লোকৰ মৃত্যু হোৱাৰ উপৰি ৬৩ জন লোক গুৰুতৰভাৱে আহত হয়। বহু বছৰৰ পাছত ৰাজধানী চহৰখনৰ খ্ৰীষ্টান ধৰ্মীয়স্থানত এনে আক্ৰমণ প্ৰথমবাৰৰ বাবে সংঘটিত হৈছে। তথ্য অনুসৰি চেইণ্ট ইলিয়াছ অৰ্থদস্ক গীৰ্জাত দেওবাৰে সন্ধিয়া প্ৰাৰ্থনাৰ বাবে লোকসকল সমবেত হোৱাৰ সময়তে দুজন আক্ৰমণকাৰীয়ে মুকলিকৈ গুলিচালনা কৰাৰ লগতে প্ৰৱেশ পথতে  বোমা বিস্ফোৰণ কৰে। এই আক্ৰমণত মহিলা আৰু শিশুৰ মৃত্যু হোৱাৰ তথ্যও পোৱা গৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি নতুন দিল্লীৰ তিন মূৰ্তি ভৱনত প্ৰধানমন্ত্ৰী সংগ্ৰহালয় আৰু পুথিভঁৰাল সমাজৰ ৪৭ সংখ্যক বাৰ্ষিক সাধাৰণ সভাত অধ্যক্ষতা কৰে। বৈঠকত প্ৰধানমন্ত্ৰীগৰাকীয়ে বিশ্বত সংগ্ৰহালয়ৰ গুৰুত্ব আৰু জনসাধাৰণক ইতিহাসৰ গুৰুত্ব উপলব্ধিৰ ক্ষেত্ৰত কৰা সহায় সন্দৰ্ভত আলোকপাত কৰে। সংগ্ৰহালয়ৰ প্ৰতি জনসাধাৰণৰ আগ্ৰহ গঢ়ি তোলা আৰু সমাজত সংগ্ৰহালয়ৰ ঐতিহ্য বৃদ্ধি কৰিবলৈ অবিৰত প্ৰচেষ্টাৰ প্ৰয়োজনৰ বিষয়েও বৈঠকখনত আলোচনা কৰা হয়। বৰ্তমানক প্ৰণালীবদ্ধভাৱে সংৰক্ষণ আৰু তথ্যসম্বলিত কৰাৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰতো শ্ৰীমোডীয়ে গুৰুত্ব আৰোপ কৰে । তেওঁ কয়,যে বৰ্তমানৰ ব্যৱস্থাসমূহ শক্তিশালী কৰি  সঠিক তথ্য সংৰক্ষণৰ জৰিয়তে ভৱিষ্যত প্ৰজন্ম,বিশেষকৈ গৱেষকলে এই সময়ক অসুবিধা নোহোৱাকৈ অধ্যয়ন আৰু বুজিবলৈ

অধিক সুসজ্জিত হ'ব। শ্ৰী মোডীয়ে দেশৰ সকলো সংগ্ৰহালয়ৰ এক বিস্তৃত ৰাষ্ট্ৰীয় তথ্যকোষ প্ৰস্তুত কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। সমগ্ৰ দেশৰ সংগ্ৰহালয়সমূহৰ এক ঐক্যবদ্ধ সাংস্কৃতিক আৰু তথ্যমূলক পৰিৱেশ প্ৰদান কৰাৰ বাবে শ্ৰী মোডীয়ে 'ভাৰতৰ সংগ্ৰহালয় মানচিত্ৰ' ৰ ধাৰণাটো উপস্থাপন কৰে। তেওঁ সংগ্ৰহালয় উন্নয়ণৰ ক্ষেত্ৰত নতুন ধাৰণা আৰু দৃষ্টিভংগী অনাৰ বাবে প্ৰতিখন ৰাজ্যৰপৰা ৩৫ বছৰৰ তলৰ পাঁচজনকৈ ব্যক্তিক লৈ এখন সমিতি গঠনৰ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী সংগ্ৰহালয়ৰ তাৎপৰ্য্যৰ ওপৰত আলোকপাত কৰি শ্ৰীমোডীয়ে কয়,যে দেশৰ প্ৰথমজন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুকে ধৰি ভাৰতৰ সকলো প্ৰধানমন্ত্ৰীকে এই সংগ্ৰহালয়ত যথোচিত সন্মান তথা ন্যায় প্ৰদান কৰা হৈছে। কালিৰ বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, নিৰ্মলা সীতাৰমণ, অশ্বিনী বৈষ্ণৱ,গজেন্দ্ৰ সিং সেখাৱট আৰু ধৰ্মেন্দ্ৰ প্ৰধানকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য,যে ২০২২ চনত শ্ৰীমোডীয়ে প্ৰধানমন্ত্ৰী সংগ্ৰহালয় মুকলি কৰিছিল। এই সংগ্ৰহালয়ত দেশৰ প্ৰতিগৰাকী প্ৰধানমন্ত্ৰীৰ অৱদান তথা কিদৰে আমাৰ গণতন্ত্ৰই সমাজৰ প্ৰতিটো শ্ৰেণীৰ নেতাক ৰাষ্ট্ৰ গঠনত অৰিহণা যোগোৱাত সুযোগ প্ৰদান কৰে সেয়া প্ৰদৰ্শন কৰা হয় ।

ooooo

ত্ৰিপুৰা দেশৰ ভিতৰতে তৃতীয়খন সম্পূৰ্ণ-সাক্ষৰ ৰাজ্যৰূপে পৰিগণিত হৈছে। কালি আগৰতলাৰ ৰবীন্দ্ৰ ভৱনত আয়োজিত এটা বিশেষ অনুষ্ঠানত ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ডº মানিক সাহাৰ উপস্থিতিত কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে এই বিষয়ে সদৰি কৰে। এই সফলতা ত্ৰিপুৰাৰ ইতিহাসত সোণালী আখৰেৰে লিপিবদ্ধ হৈ থাকিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ডº সাহাই মিজোৰাম আৰু গোৱাৰ পাছতে দেশৰ তৃতীয়খন সম্পূৰ্ণৰূপে সাক্ষৰ ৰাজ্য হিচাপে পৰিগণিত হোৱা ত্ৰিপুৰাৰ প্ৰতিগৰাকী নাগৰিকলৈ অভিনন্দন জ্ঞাপন কৰে। শিক্ষা গ্ৰহণৰ কোনো নিৰ্দিষ্ট বয়স বা সময় নাই বুলি মন্তব্য কৰি ডº সাহাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰ ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত নিৰ্মাণৰ লক্ষ্য পূৰণৰ দিশত সাক্ষৰতা অন্যতম চাবিকাঠি বুলি উল্লেখ কৰে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ভাষণৰ দ্বিতীয়টো সংকলন **ৰিংজ টু আৱাৰ হোপছ্ নামৰ গ্ৰন্থ**খন মুকলি কৰে। উল্লেখযোগ্য যে এইটো সংকলনত ২০২৩ চনৰ আগষ্ট মাহৰ পৰা ২০২৪ চনৰ জুলাই মাহলৈকে বিভিন্ন অনুষ্ঠানত ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰদান কৰা ভাষণসমূহক লিপিবদ্ধ কৰি গ্ৰন্থৰ ৰূপ দিয়া হৈছে। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু সংসদীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী এল মুৰুগানো উপস্থিত থাকে। গ্ৰন্থখন মুকলি কৰি প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰীসিঙে এই সংকলনে বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত প্ৰতিগৰাকী নাগৰিকক নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ অনুপ্ৰাণিত কৰিব বুলি মন্তব্য কৰে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই গ্ৰন্থখনৰ জৰিয়তে ভৱিষ্যতৰ প্ৰজন্মসমূহক বৰ্তমানৰ ৰাষ্ট্ৰপতিগৰাকীৰ জনকল্যানমূলক চিন্তা চৰ্চাৰ বিষয়ে সজাগ কৰি তুলিব বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে **ৰিংজ টু আৱাৰ হোপছ্ৰ** দ্বিতীয়টো সংকলন হিন্দী আৰু ইংৰাজী ভাষাত প্ৰকাশ কৰা হৈছে আৰু গ্ৰন্থখনৰ অনলাইন সংস্কৰণো উপলব্ধ হৈছে।

ooooo

হেডিংলীৰ লীডছত চলি থকা এণ্ডাৰ্চন-তেণ্ডুলকাৰ ক্ৰিকেট ট্ৰফীৰ প্ৰথমখন খেলত ভাৰতে ইংলেণ্ডক জয়ৰ বাবে ৩৭১ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। চতুৰ্থ দিনৰ খেলৰ শেষত কালি নিশা ইংলেণ্ডে ২১ ৰান সংগ্ৰহ কৰে। ইংলেণ্ডে এই টেষ্টত জয় হোৱাৰ বাবে ৩৫০ ৰানৰ প্ৰয়োজন আছে। আনহাতে ভাৰতে এই খেলত জয়ৰ বাবে ইংলেণ্ডৰ আটাইকেইটা উইকেট দখল কৰিব লাগিব। ইয়াৰ পূৰ্বে ভাৰতে দ্বিতীয় ইনিংছত ৩৬৪ ৰান অলআউট হৈছিল। এই ইনিংছত কে এল ৰাহুলে ১৩৭ আৰু আৰু ঋষভ পণ্টে ১১৮ ৰান সংগ্ৰহ কৰে। প্ৰথম ইনিংছত ইংলেণ্ডে ৪৬৫ ৰান সংগ্ৰহ কৰে। ভাৰতে এই ১৭১ ৰান সংগ্ৰহ কৰে।

ooooo

জেকিয়াত আজি হ'বলগীয়া অষ্ট্ৰাভা গোল্ডেন স্পাইক ২০২৫ এথলেটিকছ্‌ত বিশ্ব জেভলিন চেম্পিয়ন নীৰজ চোপ্ৰাই অংশগ্ৰহণ কৰিব। ভাৰতীয় সময় অনুসৰি আজি নিশা দহ বাজি ত্ৰিশ মিনিটত নীৰাজ চোপ্ৰাৰ প্ৰদৰ্শন আৰম্ভ হ'ব। উল্লেখযোগ্য,যে খেলুৱৈগৰাকীয়ে ২০২৩ আৰু ২০২৪ দুয়োটা বৰ্ষতে গোল্ডেন স্পাইকত প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা আছিল যদিও আঘাতৰ বাবে দুয়োবাৰেই আঁতৰি আহিবলগীয়া হৈছিল।

ooooo

সমাপ্ত